'শংকৰদেৱ আৰু উত্তৰ-পূবৰ নৱ বৈষ্ণৱ

ছয় পৃষ্ঠাৰ পৰা আলোকপাত কৰে। লগতে তেওঁ শংকৰদেৱৰ সময়ছোৱাৰ সমাজ ব্যৱস্থা, জাতি-বৈষম্যমূলক স্থিতি, শংকৰদেৱৰ ধৰ্ম, প্ৰচাৰ সত্ৰ, সংস্কৃতি, নামঘৰ, কলা-সংস্কৃতি আদিৰ সম্পৰ্কেও বিস্তৃত বক্তব্য দাঙি ধৰে। আলোচনা চক্ৰত অংশগ্ৰহণ কৰা ড° বিনোদ কুমাৰে অসমীয়া সমাজত শংকৰদেৱৰ অৱদানৰ লগতে ভাৰতীয় ভক্তি আন্দোলনৰ বিকাশধাৰাৰ বিষয়ে বক্তব্য দাঙি ধৰে। আলোচনাচক্ৰত অংশগ্ৰহণ কৰা ড° প্ৰবীণ কুমাৰে শংকৰদেৱৰ কৰ্মৰাজিৰ বিষয়ে উল্লেখ কৰি ইণ্ডিয়ান কাউন্সিল অৱ ফিল'ছ'ফিকেল ৰিচাৰ্চৰ অন্তৰ্গত বিভিন্ন যোজনাৰ লগতে বিত্তীয় সুবিধাৰ কথা অৱগত কৰে। আলোচনাচক্ৰত প্ৰায় ২৫ গৰাকী বিভিন্ন প্ৰান্তৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীৰ লগত কে'বাজনো গৱেষকে অংশগ্ৰহণ কৰি গৱেষণা পত্ৰ পাঠ কৰে। মহিলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক তথা আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষৰ সমন্বয়ক ড° পংকজ লোচন গৈগেয়ে আঁত ধৰা আলোচনাচক্ৰৰ অন্তত ধন্যবাদসূচক মন্তব্য প্ৰদান কৰে।

নগাঁৱত সংখ্যালঘু উন্নয়ন পুঁজি ব্যয়ত

ছয় পৃষ্ঠাৰ পৰা পানী পৰে। আনহাতে, অট্টালিকাটোৰ দৰ্জা-খিৰিকী আদি নলগোৱাৰ ফলত উন্মুক্ত অৱস্থাত আছে অৰ্ধনিৰ্মিত ছাত্ৰী নিৱাসটো। ফলত একাংশ সমাজবিৰোধী লোকৰ সুৰা-ড্ৰাগছ, জুৱা খেল আদিৰ আড্ডাস্থলী হৈ পৰিছে অৰ্ধনিৰ্মিত পৰিত্যক্ত ছাত্ৰী নিৱাসটো। তদুপৰি, ইয়াত নিশাৰ ভাগত একাংশ যুৱক-যুৱতী অপকৰ্মত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এইদৰে দীৰ্ঘদিন ধৰি ছাত্ৰী নিৱাসটো অৰ্ধনিৰ্মিত অৱস্থাত থকা সন্দৰ্ভত স্থানীয় একাংশ সচেতন ৰাইজে বিভাগীয় বিষয়া-অভিযন্তাক অভিযোগ কৰাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আনকি, তথ্য জনাৰ অধিকাৰ আইন-২০০৫ৰ অধীনত স্থানীয় এজন যুৱকে আঁচনিখনৰ সবিশেষ জানিব বিচৰাত ঠিকাদাৰ আৰু বিভাগীয় বিষয়া-অভিযন্তাৰ ভূমিকা প্ৰকাশিত হোৱাৰ ভয়ত আবেদনকাৰীক প্ৰায় তিনিমাহে কোনো তথ্য দিয়া নাই বুলিও অভিযোগ উঠিছে। অৱশেষত সমগ্ৰ বিষয় সন্দৰ্ভত লিখিতভাৱে আৰক্ষীৰ কাষ চপাতহে কিছু গা লৰিল ঠিকাদাৰ-অভিযন্তাৰ। প্ৰায় এপযেক পূৰ্বে পুনৰ কাম আৰম্ভ কৰে যদিও বৰ্তমান বন্ধ হৈ আছে নিৰ্মাণ কাৰ্য। সেয়ে ৰাইজে তদন্ত ক্ৰমে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে চৰকাৰ-প্ৰশাসনক দাবী জনাইছে।

অসমৰ সংৰক্ষিত বনাঞ্চলত নগালেণ্ডৰ

ছয় পৃষ্ঠাৰ পৰা অসম আৰক্ষী বেটেলিয়ানৰ এটা বৃহৎ দলে উক্ত স্থানত অভিযান চলাই ড্ৰামসহ সামগ্ৰীসমূহ জব্দ কৰি লৈ আহে ।

উল্লেখ্য যে বালিজান পাহাৰৰ যি স্থানত নগা দুৰ্বৃত্তই মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে সংবাদ মাধ্যমৰ লোকলৈ গুলীবৰ্ষণ কৰিছিল সেই স্থানতে নগাই এই বেদখল আৰম্ভ কৰিছে। আনহাতে, খেতি আৰম্ভ কৰাৰ লগতে পুলি আদি ৰোপণ কৰিবৰ বাবে নগা লোকে উক্ত স্থানত গাঁৱত খান্দি থোৱাও প্ৰত্যক্ষ কৰে অসমৰ দলটোৱে। এই ঘটনাই নগালেণ্ডে অসমৰ মাটিত পুনৰ বেদখল আৰম্ভ কৰাৰ কথাৰ সত্যতা প্ৰমাণ কৰিছে। মন কৰিবলগীয়া যে যোৱা ২০২১ৰ ২৭ মে'ত সংঘটিত উক্ত গুলীচালনাৰ ঘটনাৰ পাছতেই ২৯ জুনত বালিজান পাহাৰত অসম চৰকাৰে সশস্ত্ৰ আৰক্ষীৰ শিবিৰ স্থাপন কৰিছিল। কিন্তু নগালেণ্ড চৰকাৰৰ বিৰোধিতাৰ পৰিপ্ৰেক্ষিতত বিগত বৰ্ষৰে ৩১ জুলাইত ডিমাপুৰত অনুষ্ঠিত অসম আৰু নগালেণ্ড চৰকাৰৰ মুখ্য সচিব পৰ্যায়ৰ বৈঠকৰ পাছত এক শান্তি চুক্তিত স্বাক্ষৰ কৰি দুয়োপক্ষই বালিজান পাহাৰৰ পৰা নিজৰ নিজৰ আৰক্ষী প্ৰত্যাহাৰ কৰিছিল। তদুপৰি শান্তি চুক্তি অনুযায়ী উক্ত অঞ্চলত কোনো নিৰ্মাণকাৰ্য নকৰাৰ লগতে বেদখলৰ কোনো কুচকাৰাজ নকৰাৰো সিদ্ধান্ত লৈছিল। কিন্তু উক্ত চুক্তি উলংঘা কৰি নগালেণ্ডৰ দিশৰ পৰা বেদখল আৰম্ভ হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লক্ষণীয় যে অসমে শান্তি চুক্তি মানি চলাৰ বিপৰীতে নগালেণ্ডে বিগত সময়ছোৱাত একাধিকবাৰ উক্ত শান্তি চুক্তি উলংঘা কৰা পৰিলক্ষিত হৈছে।

হালাকুৰাত প্ৰাক্তন আলফা সদস্যক

ছয় পৃষ্ঠাৰ পৰা ওচৰত আত্মসমৰ্পণ কৰে। এই ঘটনাত জড়িত আন তিনিজন অভিযুক্তক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষী সূত্ৰই জনোৱা মতে, বাহাৰুল ইছলাম নামৰ এজন স্বয়ম্ভু সাংবাদিকৰ নেতৃত্বত এটা দলে প্ৰাক্তন আলফা বৰ্মনক যোৱা ২০ এপ্ৰিলত গুলীয়াই আহত কৰি তেওঁৰ মটৰ চাইকেলখন লৈ পলায়ন কৰিছিল। গুলিত আহত হোৱা বৰ্মনে হালাকুৰা আৰক্ষী তালাচী চকীত ঘটনা সন্দৰ্ভত তিনিজনক চিনাক্ত কৰি এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিতে হালাকুৰা আৰক্ষী তালাচী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে নালিয়াত উপস্থিত হৈ যোৱা ২১ এপ্ৰিলতে অভিযুক্ত স্বয়ম্ভু সাংবাদিক ইছলামৰ লগতে আকছাৰ আলী আৰু আব্দুল হামিদক আটক কৰিছিল। সেই অভিযানতে আৰক্ষীয়ে ইছলামৰ জিম্মাৰ পৰা এটা পিষ্টল আৰু প্ৰাক্তন আলফা বৰ্মনৰ পৰা কাঢ়ি নিয়া মটৰ চাইকেলখনো আৰক্ষীয়ে জব্দ কৰিছিল। তেতিয়াই ধৃত তিনিজনৰ স্বীকাৰোক্তিত উক্ত ঘটনাত প্ৰাক্তন আলফা সদস্য তথা আগমনী আৰক্ষী থানাৰ অন্তৰ্গত সিন্দুৰাইৰ নিবাসী অধিকাৰী জড়িত থকাৰ তথ্য আৰক্ষীয়ে লাভ কৰে। ইয়াৰ পাছতে হালাকুৰা আৰক্ষী তালাচী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দীপজ্যোতি ইংতিৰ নেতৃত্বত আৰক্ষীৰ দল এটাই সিন্দুৰাই গাঁৱত উপস্থিত হৈছিল। তেতিয়াই অভিযুক্তক আটক কৰিবলৈ লগত লৈ যোৱা স্বয়ম্ভু সাংবাদিক ইছলামে হালাকুৰা আৰক্ষী তালাচী চকীৰ উপ-পৰিদৰ্শক শ্বাহজাহান আলীৰ ছাৰ্ভিচ পিষ্টলটো হঠাতে কাঢ়ি লৈ দৌৰ মাৰে যদিও আৰক্ষীয়ে গুলিচালনা কৰাত তেওঁ আহত হয়। ইয়াৰ পাছতে আৰক্ষীয়ে ইছলামক আটক কৰে যদিও প্ৰাক্তন আলফা অধিকাৰীক সেইদিনা কৰায়ত্ত কৰিব নোৱাৰিলে। অৱশ্যে অধিকাৰীয়ে ইমান দিনে পলাই থকাৰ পাছত আজি বালাজান আৰক্ষী তালাচী চকীত আত্মসমৰ্পণ কৰিবলৈ কৰে।

হোলোংগুৰি চাহ বাগিচাত স্বাস্থ্য পৰীক্ষা

ছয় পৃষ্ঠাৰ পৰা হোলোংগুৰি চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ লগতে যোগ্য দম্পতীৰ বিশেষকৈ মহিলাগৰাকীৰ প্ৰয়োজনীয় সংক্ৰমিত আৰু অসংক্ৰমিত ৰোগৰ পৰীক্ষা কৰা হয়। উক্ত শিবিৰতে প্ৰতিগৰাকী মহিলাক তেওঁলোকৰ প্ৰয়োজন অনুসৰি বিভিন্ন ধৰৰ বেমাৰ-আজাৰৰ লগতে পুষ্টিকৰ খাদ্য সন্দৰ্ভত ল'বলগীয়া সাৱধানতাৰ বিষয়ে পৰামৰ্শ আগবঢ়োৱা হয়। হোলোংগুৰি চাহ বাগিচাৰ জ্যেষ্ঠ চিকিৎসা বিষয়া তথা বিশিষ্ট চিকিৎসক খ্ৰীষ্টজ্যোতি বৰা আৰু পিৰামল স্বাস্থ্যৰ জিলা আঁচনি বিষয়া দৰখী বৰুৱাই আঁতধৰা অনুষ্ঠানটোত নকছাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড আঁচনি বিষয়া মৃণালজ্যোতি ভূঞা, পিৰামল স্বাস্থ্যৰ জ'নেল মেনেজাৰ কমল ভট্টাচাৰ্য আদি উপস্থিত থাকে। শিবিৰটোত বিভিন্ন পৰীক্ষা আদি সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত একাধিক সংস্থাই সহযোগ কৰে। আনহাতে, নকছাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰয়ো শিবিৰটোত সহযোগিতা আগবঢ়ায়। ইফালে, সমগ্ৰ শিবিৰটোত হোলোংগুৰি চাহ বাগিচাৰ জ্যেষ্ঠ চিকিৎসা বিষয়া খ্ৰীষ্টজ্যোতি বৰাই সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে পিৰামল স্বাস্থ্য নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে 'সক্ষম' নামৰ এক প্ৰকল্পৰ জৰিয়তে যোৰহাট জিলাৰ চাহ বাগিচাসমূহৰ মাতৃ, প্ৰসূতি আৰু নৱজাতকৰ স্বাস্থ্যৰ উন্নতিৰ হকে কাম কৰি আহিছে। এই সন্দৰ্ভত উদ্যোক্তাসকলে কয় যে সচেতনতাৰ লগতে অপুৰিপুষ্টিজনিত কাৰণত চাহ বাগিচাসমূহত সৰ্বাধিক হাৰত প্ৰসূতি ৰোগী আৰু নৱজাতকৰ মৃত্যু হয়। সেয়েহে তেওঁলোকে চাহ বাগিচাসমূহৰ প্ৰসূতি আৰু নৱজাতকৰ বাবে এইদৰে কাম কৰি আহিছে। সচেতনতাৰ অভাৱৰ বাবেই বহুসংখ্যক প্ৰসূতি বিভিন্ন ৰোগত আক্ৰান্ত হোৱা দেখা যায়। এইসমূহ চিনাক্তকৰণ কৰি তেওঁলোকক উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ বাবেই এনে শিবিৰৰ আয়োজন কৰা বুলিও তেওঁলোকে লগতে জানিবলৈ দিয়ে। আনহাতে, জিলাখনৰ প্ৰতিখন চাহ বাগিচাতেই এনে শিবিৰ অনুষ্ঠিত কৰাৰো পোষকতা কৰে তেওঁলোকে। আজিৰ এই স্বাস্থ্য পৰীক্ষা শিবিৰত ডেৰ শতাধিক গৰ্ভৱতী মহিলাৰ লগতে যোগ্য দম্পতীৰ মহিলাই স্বাস্থ্য পৰীক্ষা কৰে। শিবিৰটোত স্বাস্থ্যকৰ্মী ৰূপম চুড়ী, হোলোংগুৰি চাহ বাগিচাৰ স্বাস্থ্যকৰ্মী হেমন্ত কলিতা আদিয়েও অংশগ্ৰহণ কৰে।

বৰহোলাত জ্বলন্ত সমস্যাৰ শীঘ্ৰে সমাধানৰ

ছয় পৃষ্ঠাৰ পৰা প্ৰতিবাদী ৰাইজে যোৰহাট জিলা উপায়ুক্ত আৰু তিতাবৰ মহকুমাধিপতিলৈ ১১ টা দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰখনত বিধ্বস্ত বৰহোলা-তিতাবৰ সংযোগী ন-আলি পথৰ লগতে ন-আলি পথত সংযোগ হোৱা বৰপাছী, দাংধৰা, ক'লাপানী, ৰাংচালি ধেলাচুক আদি উপ-পথসমূহ শীঘ্ৰে মেৰামতি, মাটি ম্যাদীকৰণ কাৰ্যসূচী স্থানীয় পঞ্চায়ত পৰ্যায়ত প্ৰশাসনিক ব্যৱস্থাপনাৰ মাধ্যমেৰে সৰল উপায়েৰে দিয়াৰ ব্যৱস্থা কৰা, পানীৰ ব্যৱসায়িকৰণ বন্ধ কৰি ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান ধৰা, কৃষকক ৰেহাই মূল্যত তথা নিৰ্দিষ্ট সময়ত সাৰৰ যোগান ধৰা, মাইক্ৰ'ফাইনেন্সসমূহৰ পৰা চৰ্তহীনভাৱে হিতাধীকাৰীসকলৰ ঋণ মাফ কৰা, পঞ্চায়তৰ উন্নয়নৰ নামত আৱন্টিত পুঁজিসমূহ অতিশীঘ্ৰে মুকলি কৰা, বিজুলীৰ নামত অতিৰিক্ত মাচুলেৰে ৰাইজক হাৰাশাস্তি বন্ধ কৰা, পঞ্চায়তত সংঘটিত দুৰ্নীতি বন্ধ কৰা, মূল্যবৃদ্ধি ৰোধ কৰা, বৰহোলাৰ চহৰৰ মাজমজিয়াত ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি নিতৌ পুৱা আঠ বজাৰ পৰা ১০ বজালৈ একেদৰে বিয়লি দুই বজাৰ পৰা তিনি বজালৈ বিভিন্ন সামগ্ৰী কঢ়িওৱা গধুৰ যানবাহনৰ চলাচল বন্ধ কৰা আৰু বৰহোলাত পুলিচৰাজ আৰু কমিচনৰাজ বন্ধ কৰাৰ দাবী উত্থাপন কৰিছে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাইজৰ দলৰ কৰ্মী প্ৰমোদ গগৈয়ে কয় যে বিজেপি চৰকাৰে মাত্ৰ উন্নয়নৰ ঢাকঢোল বজাই থাকিলেই নহয়। বিজেপি চৰকাৰৰ দিনত মানুহে নিজৰ সন্তানক বিক্ৰী কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। বৰ্তমান বিজেপিৰ নেতা পালিনেতাৰ পকেটৰ উন্নয়নহে হৈছে। কিন্তু সৰ্বসাধাৰণ ৰাইজৰ উন্নয়ন হোৱা নাই। সৰ্বসাধাৰণ ৰাইজৰ উন্নয়ন হোৱাকৈ চৰকাৰে কাম কৰক। নহ'লে অতি কম দিনত এইখন চৰকাৰক ৰাইজে অসমৰ মাটিৰ পৰা বিদায় দিব আৰু ইয়াৰ বাবে তেওঁলোক সকলো দল-সংগঠনে ঐক্যবদ্ধভাৱে কাম কৰিব বুলি কয় গগৈয়ে। আজিৰ কাৰ্যসূচীত ৰাইজৰ দলৰ নৱেন গগৈ, কৃষক কৰ্মী ৰাজীৱ চুতীয়া, আব্দুল ৰহিম, ছাত্ৰ মুক্তিৰ অংকুৰ সোণোৱাল, সচেতন যুৱক নিতুল শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে।

বাগ্‌সাৰ আনন্দ বজাৰ কচুগাঁৱত

ছয় পৃষ্ঠাৰ পৰা আনহাতে, ঘটনাটো সংঘটিত কৰিয়ে পলায়ন কৰে অভিযুক্ত লালচান বাদশ্বাহ। উল্লেখ্য যে ১২ বছৰ পূৰ্বে কচুগাঁৱৰ আলাল উদ্দিনৰ কন্যা আনোৱাৰা খাতুন একে গাঁৱৰে আনাৰ হুছেইন নামৰ লোকজনৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল। তাৰ পাছৰ পৰাই শাৰীৰিক- মানসিক নিৰ্যাতন চলাই আহিছিল স্বামী আনাৰ হুছেইনৰ লগতে আনাৰ হুছেইনৰ মাহীয়েকৰ ল'ৰা লালচান বাদশ্বাহে। দুবছৰ ধৰি লালচানে আনাৰৰ ঘৰতে থাকি কাম-বন কৰিছিল আৰু তাৰ মাজতে যোৱা নিশা লালচানে পাৰিবাৰিক কথাক লৈ কাঠৰ বাটামেৰে কোবাই কোবাই হত্যা কৰে বৌৱেক আনোৱাৰাক। আনোৱাৰাৰ লগতে তেওঁৰ পিতৃ-মাতৃ আৰু ভ্ৰাতৃকো গুৰুতৰভাৱে আহত কৰি পলায়ন কৰে লালচানে। নিশাই আহত তিনিওজনকে স্থানীয় ৰাইজৰ সহযোগত চিকিৎসালয়ত ভৰ্তি কৰা হয়। উক্ত ঘটনা সন্দৰ্ভত চিকিৎসাধীন অৱস্থাৰেই আনোৱাৰাৰ পিতৃ আলাল উদ্দিনে কয়, 'আমাৰ ছোৱালীজনীক কচুগাঁৱৰ আনাৰ হুছেইনক বিয়া দিছিলো। ছোৱালীজনী হেনো ক'লা। মুখত মেকাপ মাৰি থাকে। সেইকাৰণে মোৰ ছোৱালীজনীক দেখিব নোৱাৰে জোৱাইৰ লগতে পৰিয়ালৰ লোকে। বিয়া হোৱা ১২-১৩ বছৰ হ'ল। ছোৱালীজনীক মাৰপিট কৰে। আজিও মাৰপিট কৰিছে ভ্ৰাতৃ আৰু স্বামীয়ে। কাঠৰ বাটামেৰে কোবাইছে জোৱাইৰ মাহীয়েকৰ ল'ৰাই ছোৱালীজনীৰ লগতে আমাৰ ঘৰৰ সকলোকে প্ৰহাৰ কৰে। আনাৰে এটা চৰকাৰী ঘৰৰ বাবে টকা লাভ কৰিছিল আৰু সেই টকা নৈৰ পাৰত জুৱা খেলি নষ্ট কৰিছে। সেই লৈ মোৰ ছোৱালীয়ে প্ৰশ্ন কৰাত মাৰধৰ কৰে। এইফালে নিহত মহিলাগৰাকীৰ স্বামী আনাৰে কয়, 'বহুদিন আগতে বিবাহ বিচ্ছেদ বিচাৰি আৰক্ষীৰ ওচৰত গৈছিলো যদিও আৰক্ষীয়ে বুজাই মিলাই পুনৰ ভালদৰে সংসাৰ চলাবলৈ দিহা-পৰামৰ্শ দিয়াত আমি আৰক্ষীৰ কথামতে সংসাৰ চলাই গৈছিলো। কোনো ধৰণৰ কাজিয়াপেচাল নাছিল আমাৰ মাজত। পত্নীক লালচানে যেনেকৈ মাৰিছে তাৰ উচিত বিচাৰ লাগে মোক। মই এটা কথাই ভাবি পোৱা নাই যে মই লালচানৰ কি দোষ কৰিছিলো। মোৰ মাহীৰ ল'ৰা সি। ডেৰ বছৰ ধৰি লালচানে মোৰ ঘৰৰ মাটিতে আছিল। কাঠৰ কাম, গছ কটা কাম আদি কৰিছিল লালচানে। ঘটনা সংঘটিত হোৱাৰ সময়ত মই ঘৰতো নাছিলো।'

সোণতলীৰ ৰাংগাপানীত

ছয় পৃষ্ঠাৰ পৰা নগৰবেৰাৰ নাইতৰ পলাহৰটাৰীৰ মজমোল হক (৩০)। সোণতলীৰ জাওকাটালৈ আহি থাকোতে দুই নম্বৰ দক্ষিণ ৰাংগাপানী গাঁৱত সংঘটিত হয় দুৰ্ঘটনাটো আঘাতপ্ৰাপ্ত। আৰোহীজনক সোণতলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা প্ৰদান কৰি থকা হৈছে। দুৰ্ঘটনাৰ খবৰ পাই সোণতলী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গাড়ীখন জব্দ কৰে যদিও চালকজন পলায়ন কৰে।

মাটিয়াত চোৰাং চাউলভৰ্তি

ছয় পৃষ্ঠাৰ পৰা দণ্ডবিধিৰ ৩৭৯/৪১১ ধাৰাত ৫৩/২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰাৰ লগতে বাহনখনৰ চালক তথা কৃষ্ণাইৰ আসুডুবিৰ বাসিন্দা মহিৰউদ্দিন আলীক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে কফিলুদ্দিন নামৰ এজেণ্টজনে উপভোক্তাক চাউল কমকৈ দি প্ৰায়ে চোৰাং বজাৰত বিক্ৰী কৰি থকা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে এজেণ্টজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

খাটোৰাল সমবায় সমিতিৰ

ছয় পৃষ্ঠাৰ পৰা তদন্তৰ দাবী জনাইছে। উল্লেখ্য যে ছাদেক আলীৰ সুলভ মূল্যৰ দোকানৰ সকলো নথিপত্ৰ আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছে। পূৱ ফুটলজাৰৰ মফিজ উদ্দিনৰ বিৰুদ্ধে ছাদেকে ৰূপহীহাট আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছে। মফিজুদ্দিনে ষ্টক বুক, বিক্ৰী বুক, লিফটিং বুক আদি লুকুৱাই ৰখাৰ অভিযোগ উঠিছে। মফিজ উদ্দিনে শেহতীয়াকৈ টকা-পইচাৰ পৰা আদি কৰি সকলো নথি-পত্ৰ, হিচাপ নিকাচৰ পৰা ছাদেক আলীক বঞ্চিত কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে।

ৰঙালী বিহু উদ্‌যাপন পশ্চিম

ছয় পৃষ্ঠাৰ পৰা সংগতি ৰাখি উদ্‌যাপিত সাংস্কৃতিক অনুষ্ঠানে আমাৰ উঠি অহা প্ৰজন্মক জাতীয় চেতনাৰে সমৃদ্ধিশালী কৰি তোলাৰ উপৰি আমাৰ মাজৰ সাতামপুৰুষীয়া ঐক্যতাৰ বান্ধোনডাল দৃঢ় কৰি আহিছে। এই উদ্দেশ্যেই পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ উদ্যোগত যোৱা আঠ মে'ত সংবাদ ভৱনৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। সাংবাদিক সংস্থাৰ বিহুৰ অনুষ্ঠানত বহুকেইগৰাকী সমাজকৰ্মীক বিহুৱানেৰে সন্মান প্ৰদান কৰা হয়। পুৱা বিহুৰ পতাকা উত্তোলনৰ পাছত বিয়লি বিহু উদ্‌যাপন কৰা হয়। স্থানীয় পঞ্চায়তৰ সভাপতি মহেশ্বৰ বৰাই বন্তি প্ৰজ্বলনেৰে মঞ্চ উদ্বোধন কৰাৰ পাছত মহিলাৰ দ্বাৰা জেং বিহু, সপ্তৰথী বিহু দলৰ হুঁচৰি প্ৰদৰ্শনৰ পাছতে মাজুলীৰ কণ্ঠশিল্পী তুলিকা শইকীয়া, পশ্চিম যোৰহাটৰ উদীয়মান কণ্ঠশিল্পী অন্তৰা শইকীয়া আৰু জনপ্ৰিয় শিল্পী অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ অধ্যাপক দেবানন্দ বৰাৰ সংগীত পৰিবেশনে বিহুপ্ৰেমী ৰাইজক আপ্লুত কৰে।

ৰাজহুৱা স্বাৰ্থ লৈ চাইকেলেৰে

ছয় পৃষ্ঠাৰ পৰা অসম, প্লাষ্টিক বৰ্জন, বৃক্ষৰোপণ, গঁড় হত্যা বন্ধ কৰা আৰু চাইকেলৰ মাধ্যমেৰে স্বাস্থ্য ৰক্ষাৰ শ্ল'গান লৈ হেজাৰ কিলোমিটাৰৰ অভিযান আৰম্ভ কৰিছিল। কিন্তু ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত চাইকেল আৰোহী দলক দুটা পৃথক পৃথক দলে বিভিন্ন অশ্লীল ভাষাৰে গালি-গালাজৰ লগতে দুৰ্ব্যৱহাৰ কৰে। এনে ঘটনাত ৰাজহুৱা স্বাৰ্থ আগত লৈ কষ্টকৰ ভ্ৰমণত অহা যুৱকৰ দলটোৰ উদ্যম হানি হোৱাৰ লগতে মানসিক কষ্ট অনুভৱ কৰিছে বুলি সদৰী কৰিছে তেওঁলোকে। ঘটনা সন্দৰ্ভত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন দল-সংগঠনক অৱগত কৰা হৈছিল যদিও কোনোৱে গুৰুত্ব প্ৰদান নকৰিলে বুলি আজি শিৱসাগৰত উপস্থিত হৈ গহপুৰৰ চাইকেল আৰোহী দলটোৱে সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰে। আনহাতে, ৰাজহুৱা স্বাৰ্থজনিত এনে ৰোমাঞ্চকৰ ভ্ৰমণৰ বাবে বিভিন্ন দল-সংগঠনে সহায়ৰ প্ৰতিশ্ৰুতি দিও পিঠি দিয়া বুলি ক্ষোভ উজাৰিছে চাইকেল আৰোহীৰ দলটোৱে। যি সময়ত এনে ৰোমাঞ্চকৰ ভ্ৰমণৰ বাবে চৰকাৰে উৎসাহ দি আহিছে সেই সময়ত যুৱপ্ৰজন্মৰ এনে কাৰ্যক প্ৰেৰণা দিয়াৰ সলনি দুৰ্ব্যৱহাৰ কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

জুটলীবাৰি চাহ বাগিচাত

ছয় পৃষ্ঠাৰ পৰা বাগিচাৰ কোৱাৰ্টাৰত বাস কৰা ভেংৰাৰ পত্নীয়ে কালি দুপৰীয়া বাগিচাত অনুষ্ঠিত এখন সভালৈ গৈছিল। তেতিয়াই ঘৰত কোনো নথকাৰ সুযোগ লৈ ভাংৰাই নিজৰ শুৱনি কোঠাৰ চিলিঙত চিপ লৈ আত্মহত্যা কৰে। সন্ধিয়া ভেংৰাৰ পত্নীয়ে সভাৰ পৰা উভতি আহি স্বামীক শুৱনি কোঠাৰ চিলিঙত উলমি থকা প্ৰত্যক্ষ কৰি লগে লগে স্থানীয় লোকক অৱগত কৰে। ঘটনা সন্দৰ্ভত স্থানীয় লোকে নাওহলীয়া আৰক্ষী চকীত অৱগত কৰাত আৰক্ষীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইফালে একাংশ সহকৰ্মীয়ে বাগিচাৰ পৰিচালকে অতিৰিক্ত কামৰ বোজা জাপি দিয়াৰ বাবেই মানসিক হেঁচাত পৰি ভেংৰাই আত্মহত্যা কৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। সহকৰ্মীয়ে জনায় যে কামৰ বোজা কমাই দিবৰ বাবে বাগিচাৰ পৰিচালকক যোৱা ১১ ফেব্ৰুৱাৰীত এখন দৰ্খাস্ত ভেংৰাই অৰ্পণ কৰিছিল যদিও তেওঁৰ কামৰ বোজা কমা নাছিল।

ৰঙাপৰা হাৰুচুৰা চাহ বাগিচাত

ছয় পৃষ্ঠাৰ পৰা দিপু বৰাই কয় যে চাহ বাগিচাৰ যি অপৰূপ সৌন্দৰ্য, বাগিচাৰ শ্ৰমিক সকলৰো জীৱন তেনেকুৱা সন্দুৰ হ'ব লাগিব। কষ্টোপাৰ্জিত ধন অবৈধ সুৰাপানত ব্যয় নকৰি নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ কামত খৰচ কৰিব লাগিব। জীৱনটো উন্নত পথেৰে আগবঢ়াই নিব লাগিব। সুৰা নামৰ বৰ বিহৰ বিৰুদ্ধে মহিলাসকলে আগবাঢ়ি আহিব লাগিব। এই ক্ষেত্ৰত প্ৰশাসনে তেওঁলোকক সহায় কৰিব বুলিও কয়। সভাত অংশগ্ৰহণ কৰি বাগিচাৰ শ্ৰমিক কল্যাণ বিষয়া ত্ৰিদীপ শইকীয়াই অবৈধ সুৰাৰ ওপৰত আলোকপাত কৰি নিচাযুক্ত সামগ্ৰীৰ প্ৰতি আকৃষ্ট লোকসকলক যদি তেনে সামগ্ৰীসমূহৰ পৰা আঁতৰাই ৰাখিব পৰা যায়, তেন্তে সমাজখন সু-শৃংখলাবদ্ধ হ'ব বুলি মত প্ৰকাশ কৰে। সভাত গাঁওৰক্ষী বাহিনীৰ সম্পাদক সান্তিৰাম দাস আৰু বহু লোকে অংশগ্ৰহণ কৰে। সভাত বাগিচাৰ প্ৰতিটো শ্ৰমিক লাইনত অবৈধ সুৰাৰ প্ৰচলন বন্ধ কৰিবলৈ একো একোখন সমিতি গঠন কৰা হয়।

শোষণ-বঞ্চনাৰ বাহিৰে এবছৰ

ছয় পৃষ্ঠাৰ পৰা বাহিৰে সংখ্যালঘুৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক আদি দিশত কোনো গুৰুত্ব প্ৰদান নকৰিলে, যাৰ ফলত সংখ্যালঘু ৰাইজ বহু পিছুৱাই ৰ'ল বুলি তেওঁ কয়। সমান্তৰালভাৱে চৰকাৰখনক বৰ্ষপূৰ্তি উপলক্ষে নেমছুৰ সভাপতিজনে অভিনন্দন জ্ঞাপন কৰি কয়, 'আজি বিজ্ঞান-প্ৰযুক্তিৰ জয় যাত্ৰাই শীৰ্ষত আৰোহণ কৰা সময়তো সংখ্যালঘু জনগণ বহু পিছ

মদাৰখাট বাগিচা নিলামৰ দাবীত শ্ৰমিকৰ ঘাইপথ অৱৰোধ

অগ্ৰদূত বাৰ্তা

টেঙাখাত, ৯ মে' ঃ টেঙাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত মদাৰখাট চাহ বাগিচাৰ অধীনস্থ পাৰ্বতীপুৰ, সদাশিৱ, লাহোৱালবাৰী, গোদাবাহাল, শাখা চাহ বাগিচাসমূহত মালিকৰ অৱহেলাত অচল অৱস্থা হোৱাৰ অভিযোগ তুলি আজি বাগিচাকেইখনৰ একাংশ শ্ৰমিকে মদাৰখাট অধীনস্থ শাখা বাগিচাসমূহ নিলামত দিয়াৰ দাবী জনাই পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদীসকলে 'চাহ শ্ৰমিকসকলৰ সমস্যা দূৰ কৰক', 'মালিকপক্ষ মূৰ্দাবাদ, মদাৰখাট চাহ বাগিচা নিলাম দিয়ক' আদি শ্লো'গান দিয়ে। পুৱা ১১ বজাৰ পৰা গ্ৰহণ কৰা দুঘন্টীয়া অৱৰোধৰ সময়ত টেঙাখাত ঘাইপথৰ দুয়োফালে সহস্ৰাধিক যান-বাহন আবদ্ধ হৈ পৰে। পাছত অৱৰোধস্থলীত জিলা প্ৰশাসনিক বিষয়া উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ স'তে আলোচনা কৰাৰ পাছত প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখা হয়।

প্ৰতিবাদকাৰীসকলৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ ডিব্ৰুগড় জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰিবলৈ প্ৰশাসনিক বিষয়াজনক প্ৰদান কৰা হয়। স্মাৰকপত্ৰখনত উল্লেখ কৰা মতে, মদাৰখাট চাহ বাগিচাৰ অধীনস্থ পাৰ্বতীপুৰ, সদাশিৱ, লাহোৱালবাৰী, গোদাবাহল শাখা চাহ বাগিচাকেইখন কে'বাবছৰ ধৰি অচল হৈ আছে। বাগিচাখনৰ শ্ৰমিকসকলে মজুৰিৰ লগতে পাবলগীয়া ধন আৰু সুবিধাসমূহৰ পৰা বঞ্চিত হৈ আহিছে। শ্ৰমিকসকলে বিনা পৰিশ্ৰমেৰে বাগিচাকেইখন বচাই ৰখাৰ চেষ্টা চলাই কেঁচাপাত বিক্ৰী কৰি শ্ৰমিকসকলৰ আৰ্থিক অৱস্থাত সকাহ বিচাৰিছিল। শ্ৰমিকসকলৰ ভৱিষ্যতৰ দিনবোৰ অন্ধকাৰৰ আশংকা কৰি এটা স্থায়ী সমাধান বিচাৰি বাগিচাখন নিলামত দিবলৈ দাবী জনায়। পৰিয়াল পোহপাল দিয়াত অসুবিধা হোৱাৰ কথা স্মাৰকপত্ৰখনত উল্লেখ কৰে। পথ অৱৰোধ কাৰ্যসূচীত আট্‌ছাৰ টেঙাখাত শাখাই অংশগ্ৰহণ কৰে।

সৃষ্টিশীল কৰ্মইহে পৃথিৱীৰ পৰা হিংসাৰ দাবানল বিনাশ কৰিব পাৰিব

■ জামুগুৰিহাটত কাব্যগ্ৰন্থ 'তুমি বন্ধা বাটেৰে' উন্মোচন

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ৯ মে' ঃ জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁও নিবাসী তথা জীয়াভৰলীপৰীয়া কবি জ্ঞানলতা বৰাৰ নৱতম কাব্যগ্ৰন্থ 'তুমি বন্ধা বাটেৰে' আজি উন্মোচন কৰা হয়। এই উদ্দেশ্য জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰে কাবি-সাহিত্যিক তথা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰপ্ৰসাদ শইকীয়াই। প্ৰতিষ্ঠিত কবি তৰুণ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত সভাত কাব্যগ্ৰন্থখন উন্মোচন কৰি শইকীয়াই কয়, 'এখন মননশীল কাব্যগ্ৰন্থ প্ৰকাশ কৰাটো বৰ সহজ কাম নহয়। এটা কবিতা বা এখন গ্ৰন্থই এটা জাতিৰ ভৱিষ্যৎ সলনি কৰি দিব পাৰে।' বৰ্তমান পৃথিৱীত দেখা দিয়া ১৩ পৃষ্ঠাত চাওক

মহেশ্বৰ বৰকটকী বিদ্যালয়ৰ ছাত্ৰীৰ কৃতিত্ব

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ৯ মে' ঃ ডিমৌৰ লম্বোদৰ বৰগোহাঁই শংকৰদেৱ শিশু বিদ্যা নিকেতনত যোৱা ছয় মে'ত অনুষ্ঠিত সদৌ অসম ভিত্তিৰ ভূপেন বৰগোহাঁই সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত পূৱ যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অনিন্দিতা বৰঠাকুৰে দ্বিতীয় স্থান লাভ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। ছাত্ৰীগৰাকীয়ে ১০ হেজাৰ টকাৰ পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ লাভ কৰে। তেওঁ পীড়াকটা ব্ৰাহ্মণ গাঁও নিৱাসী তপন বৰঠাকুৰ আৰু বীতা বৰঠাকুৰৰ কন্যা। ছাত্ৰীগৰাকীৰ সাফল্যত বিদ্যালয় পৰিয়ালে সন্তুষ্টি প্ৰকাশ কৰিছে।

বাহনা মহাবিদ্যালয়ত 'সাগৰ তলিৰ শংখ' অনুষ্ঠিত

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ৯ মে 'ঃ জাতীয় গৌৰৱৰ এদিন অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি বাহনা মহাবিদ্যালয়ত অনুষ্ঠিত হয় 'সাগৰ তলিৰ শংখ' কথা-কবিতা আৰু সংগীতৰ অনুষ্ঠান। বাহনা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা নমিতা শইকীয়াই আদৰণি ভাষণত 'জাতীয় গৌৰৱৰ এদিন' অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা 'সাগৰ তলিৰ শংখ' অনুষ্ঠান বাহনা মহাবিদ্যালয়ত অনুষ্ঠিত কৰা বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা কবি, লেখক তথা কথাশিল্পী মৃদুল কুমাৰ বৰাই কয় যে নীলমণি ফুকনৰ ভাষাশিল্প, জীৱনবোধে অসমীয়া জাতি আৰু ভাষাক পুনৰ গজগজীয়া কৰিলে। তেওঁৰ কবিতাই অসমীয়া কাব্য সাহিত্যৰ আধুনিকতাক ভাঙি গঢ়ি নতুন মাত্ৰা প্ৰদান কৰিলে। তেওঁৰ প্ৰতিটো শব্দই কেতিয়াবা ব্ৰহ্মৰূপ, কেতিয়াবা প্ৰেমাসিক্ত, পথৰুৱা, পলসুৱা গন্ধৰে মহিমামণ্ডিত বুলি উল্লেখ কৰি বৰাই ছাত্ৰ-ছাত্ৰীসকলক কবি নীলমণি ফুকনৰ কবিতা আৰু অসমীয়া ভাষাৰ কালিকা জানিবলৈ বুজিবলৈ কৰ্ষণ কৰিবলৈ অনুৰোধ জনায়। আবৃত্তিকৰ ৰূপকুমাৰ বৰা আৰু কবি ৰঞ্জিত গগৈয়ে নীলমণি ফুকনৰ কবিতা আবৃত্তি কৰি উপস্থিতসকলক আকৃষ্ট কৰে। অনুষ্ঠানত ছাত্ৰদ্বয় জ্যোতিৰ্ময় শইকীয়া আৰু সিদ্ধাৰ্থ গৌতম দত্ত আৰু ছাত্ৰী জয়শ্ৰী হাজৰিকা আৰু গৌৰৱী দত্তই নীলমণি ফুকনৰ কবিতা পাঠ কৰে। সঞ্চালক ভৃগুপতি হাজৰিকাই নীলমণি ফুকনে কবিতাৰ উপৰি চিত্ৰকলা আৰু ভাস্কৰ্যৰ ওপৰত লেখা নীলমণি ফুকনৰ প্ৰবন্ধসমূহ অসমৰ শিল্পকলা ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু অনন্য বুলি উল্লেখ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সমন্বয়ক ড° পংকজ বৰায়ো বক্তব্য আগবঢ়ায়।

কিশোৰীক বিবাহিত যুৱকৰ অপহৰণ ঃ থানাত এজাহাৰ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ ডিমৌৰ কাষৰীয়া থাওৰা চাহ বাগিচাৰ এগৰাকী স্কুলীয়া ছাত্ৰীক এজন বিবাহিত লোকে অপহৰণ কৰে। থাওৰা চাহ বাগিচাৰ ছাত্ৰীগৰাকীয়ে লগৰ কেইগৰাকীমান সমনীয়াৰ স'তে বিদ্যালয়লৈ গৈ থাকোতে একে বাগিচাৰে ন নম্বৰ লাইনৰ নিবাসী বাবুল ভূএগ আৰু বাছা মণি ভূএগৰ পুত্ৰ বিপুল ভূএগই বলপূৰ্বক পথৰ পৰা ছাত্ৰীগৰাকীক অপহৰণ কৰে। পাছত বিদ্যালয়ৰ পৰা ছাত্ৰীগৰাকী ঘৰলৈ ঘূৰি নোযোৱাত পিতৃ-মাতৃয়ে বিচাৰ-খোচাৰ কৰাত বাবুলে তেওঁলোকৰ কন্যাক অপহৰণ কৰি নিয়া বুলি জানিব পাৰে। ঘটনাৰ সন্দৰ্ভত ছাত্ৰীগৰাকীৰ পৰিয়ালে চেপন আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। চেপন আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত এক গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে।

বিজেপি অনুসূচিত জনজাতি মৰ্চাৰ প্ৰাক্তন সভাপতিৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ ডিমৌৰ কাষৰীয়া ককিলামাৰী গাঁৱৰ সমাজকৰ্মী, ভাৰতীয় জনতা পাৰ্টি অনুসূচিত জনজাতি মৰ্চা নিতাই পানীদিহিং মণ্ডলৰ প্ৰাক্তন সভাপতি টমাচ দেউৰী (৪৬) ৰ আজি পুৱা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। কালি সন্ধিয়া ডিমৌৰ পৰা নিজ গৃহলৈ মটৰ চাইকেলেৰে গৈ থাকোতে শিঙিয়নিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয়। লগে লগে পৰিয়ালৰ লোকে ডিমৌ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে যদিও আঘাত গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি। কিন্তু আজি পুৱা চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ দীৰ্ঘদিন ধৰি ভাৰতীয় জনতা পাৰ্টিত থাকি নিষ্ঠা আৰু সততাৰে নিতাই পানীদিহিং মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ সভাপতিৰ দায়িত্ব পালন কৰি আহিছিল। তেওঁৰ মৃত্যুত থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই যুৱ মৰ্চা শিৱসাগৰ জিলা সাধাৰণ সম্পাদক সন্দীপ গগৈ, নিতাই পানীদিহিং মণ্ডলৰ সভাপতি নবীন গগৈ, সম্পাদক নিৰঞ্জন বৰুৱাই। শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত টমাছ দেউৰীয়ে পত্নীসহ পুত্ৰ-কন্যাক এৰি যায়।

হৃদয়হীনা মাতৃয়ে চমজি ল'লে পুত্ৰক

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ ডিমৌৰ কাষৰীয়া বকুলডোবা গাঁৱত এগৰাকী মাতৃয়ে আঠদিনৰ পূৰ্বে জন্ম দিয়া এটি পুত্ৰ সন্তান কালি স্বামীগৃহত অকলশৰে এৰি থৈ পলাই যোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে আজি ডিমৌ থানাত উপস্থিত হৈ চমজি ল'লে নিজ সন্তানক। বোৱাৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি স্বামীগৃহৰ মানসিক অশান্তিৰ বাবেই পুত্ৰক তেনেদৰে এৰি পিতৃগৃহলৈ গুচি যোৱা বুলি উল্লেখ কৰি দীৰ্ঘদিন ধৰি মানসিক নিৰ্যাতনৰ সন্মুখীন হৈ আহিছিল। স্বামীগৃহৰ অকৰ্থ্য নিৰ্যাতনৰ বাবেই আঠদিনৰ পূৰ্বে জন্ম দিয়া দেৱ শিশুটিক এৰি থৈ যাবলৈ বাধ্য হৈছিলো বুলি তেওঁ কয়। আজি পিতৃগৃহৰ পৰা পোনে পোনে ডিমৌ থানাত উপস্থিত হৈ আৰক্ষীৰ দ্বাৰা স্বামীগৃহৰ পৰিয়ালৰ স'তে যোগাযোগ কৰি শিশুটিক ডিমৌ আৰক্ষীৰ সন্মুখতে গ্ৰহণ কৰে।

অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৈলেন কলিতাৰ মৃত্যুত ৰামপুৰত শোক

ছয়গাঁও, ৯ মে 'ঃ দক্ষিণ কামৰূপৰ ৰামপুৰ নিবাসী, ঐতিহ্যমণ্ডিত ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শৈলেন কলিতাৰ আজি পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটে। ২০১৫ৰ ৩১ মাৰ্চত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা অল্পভাষী কলিতা দীৰ্ঘদিন ধৰি হৃদজনিত ৰোগত আক্ৰান্ত হৈ আছিল। পূৰ্বতে পত্নীক হেৰুওৱা কলিতাই মৃত্যুৰ সময়ত দুজন পুত্ৰসহ আত্মীয়ক এৰি যায়। ১৯৭৪ৰ পহিলা মে'ৰ পৰা সুদীৰ্ঘ ৪০ বছৰ কাল ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ সেৱা আগবঢ়োৱা কলিতা ছাত্ৰ-ছাত্ৰীৰ মাজত সৰবৰহী তথা আস্থাভাজন আছিল। তেওঁৰ বিয়োগত ড° অৱনী কুমাৰ দাস, ডাঃ প্ৰসন্ন কলিতা, ডাঃ গৰ্গৰাম মালী, অনল দাস, বিমল শৰ্মা, নিতু কলিতা, প্ৰণীতা পাঠক দাস, প্ৰসেনজিৎ কলিতা প্ৰমুখ্যে অনেক গুণমুগ্ধ আৰু প্ৰাক্তন ছাত্ৰই গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে।

শংকৰদেৱ বিদ্যা নিকেতন বাহাৰঘাটত ৰাষ্ট্ৰীয় শিক্ষা-নীতিৰ সন্দৰ্ভত কৰ্মশালা

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ৯ মে' ঃ নলবাৰী জিলাৰ অন্তৰ্গত বাহাৰঘাট শংকৰদেৱ বিদ্যা নিকেতনত কালি শিশু শিক্ষা সমিতি, অসমৰ নলবাৰী বিভাগৰ অন্তৰ্গত বৰভাগ সংকুলৰ সাতখন শংকৰদেৱ বিদ্যা নিকেতনৰ আচাৰ্য আৰু আচাৰ্যাসকলৰ মাজত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত সমল ব্যক্তিৰূপে উপস্থিত থাকি কৰিয়া শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক গীতিকা দত্ত শৰ্মা, নলবাৰী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক কনক বৰ্মন আৰু শিশু শিক্ষা সমিতি, অসমৰ নলবাৰী বিভাগৰ বিভাগ নিৰীক্ষক অখিল শৰ্মাই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ তত্ত্বগধুৰ বিশ্লেষণ আগবঢ়ায়। কৰ্মশালাৰ আৰম্ভণিতে নিকেতনৰ প্ৰাক্তন সভাপতি দীনেশ চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন, নিকেতনৰ প্ৰাক্তন সম্পাদক শচীন্দ্ৰ শৰ্মাই উদ্বোধনী ভাষণ আৰু পৰিচালনা সমিতিৰ সভাপতি মহেশ্বৰ কলিতাই আদৰণী ভাষণ দি কৰ্মশালাৰ উদ্বোধন কৰে।

সৰুপেটাত তিনিদিনীয়া যোগ সমৰকলা প্ৰশিক্ষণৰ সামৰণি

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ৯ মে' ঃ স্থানীয় বিদ্যামন্দিৰ হাইস্কুলত 'জে বি যোগা এণ্ড কাৰাটে একাডেমী'ৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত যোগ আৰু সমৰকলা প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। বৰপেটা জিলা ক্ৰীড়া বিষয়া অক্ষয় কুমাৰ দাসে উদ্বোধন কৰা প্ৰশিক্ষণ শিবিৰত অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে ভালেসংখ্যক বৰ্ষীয়ান লোকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষক বসন্ত মজুমদাৰ, বিৰাজ শৰ্মা, ৰবীমণি দাস আৰু গোলাপ দাসে যোগৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ বিপৰীতে 'জে বি যোগা এণ্ড কাৰাটে একাডেমী'ৰ সম্পাদক তথা সমৰকলা বিষয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ব্লেক বেল্ট ফাৰ্ষ্ট ডানৰ অধিকাৰী জিতু পাঠকৰ লগতে সমৰকলা বিষয়ত ছেকেণ্ড ডানৰ অধিকাৰী ৰাকিব মোল্লাই সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰে। সামৰণি অনুষ্ঠানত প্ৰতিগৰাকী অংশগ্ৰহণকাৰীকে 'জে বি যোগা এণ্ড কাৰাটে একাডেমী'ৰ তৰফৰ পৰা একোখনকৈ অভিনন্দন পত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত প্ৰশিক্ষক ৰাকিব মোল্লাই বৰ্তমান সময়ত সমাজৰ প্ৰতিগৰাকী ব্যক্তি বিশেষকৈ মহিলাসকলে নিজকে সুৰক্ষা দিয়াৰ কাৰণে আত্মৰক্ষাৰ বিভিন্ন কলা-কৌশল আয়ত্ত কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিৱৰি কয়। প্ৰশিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে শিক্ষা আহৰণৰ সমান্তৰালকৈ যোগসাধনা আৰু সমৰকলা বিষয়ত দক্ষতা আহৰণৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে।

পশ্চিম চাওখাট বিদ্যালয়ত সংসদীয় পদ্ধতিৰে নিৰ্বাচন

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ৯ মে' ঃ পশ্চিম চাওখাট মধ্য-উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা সাত মে'ত গণতান্ত্ৰিক পদ্ধতিৰে ছাত্ৰ সংসদৰ নিৰ্বাচন অনুষ্ঠিত হয়। প্ৰাথমিক পৰ্যায়তে ছাত্ৰ-ছাত্ৰীসকলক দেশৰ গণতান্ত্ৰিক পদ্ধতিৰ লগত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে অনুষ্ঠিত কৰা ছাত্ৰ সংসদৰ নিৰ্বাচনত বেলট পেপাৰৰে যোগেদি ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ নিৰ্বাচনৰ দৰে তেওঁলোকৰ ভোটদান সাব্যস্ত কৰে। নিৰ্বাচনৰ প্ৰাৰম্ভিক পৰ্যায়ত প্ৰাৰ্থীসকলে নিজৰ নিজৰ চিহ্নত ভোট দিবলৈ সকলোকে আহ্বান জনায়। ছাত্ৰ সংসদৰ অন্তৰ্গত প্ৰধানসেৱক, সংস্কৃতিক, সাহিত্য, পৰিৱেশ, খেল বিভাগৰ সম্পাদকৰ পদবীৰ বাবে ভোটদান হয়। ভোটদান প্ৰক্ৰিয়াৰ পূৰ্বে উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সুশান্ত বৰাই ভোটদানৰ নীতি- নিয়মসমূহ ব্যাখ্যা কৰে। প্ৰিজাইডিং বিষয়াৰূপে মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অনুপম সভাপণ্ডিতে গণতান্ত্ৰিক প্ৰক্ৰিয়াত ভোটদানৰ গুৰুত্ব সম্পৰ্কে কয়। প'লিং বিষয়া হিচাপে বিদ্যালয়ৰ শিক্ষয়িত্ৰী লখিমী হাজৰিকা, নয়নমণি বৰা আৰু অমপী শইকীয়াই দায়িত্ব পালন কৰে। বিজ্ঞান শিক্ষক অভিজিত দাস আৰু মণ্ডল সমন্বয়ক মঞ্জুলা দত্তই নিৰ্বাচনী প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়ায়।

মানৱ সম্পদ গঢ়িবলৈ শিক্ষাৰ উন্নতি সাধন নিতান্তই প্ৰয়োজনীয়

■ তিনিচুকীয়াত গুণোৎসৱ ২০২২ৰ জিলা বহিঃমূল্যায়নকাৰীসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভণি

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ৯ মে' ঃ আগন্তুক ২৪, ২৫ আৰু ২৬ মে'ত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱ ২০২২ উপলক্ষে তিনিচুকীয়া জিলা প্ৰশাসন আৰু সমগ্ৰ শিক্ষাৰ উদ্যোগত জিলা পৰ্যায়ৰ বহিঃমূল্যায়নকাৰী সকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি বৰগুৰিস্থিত জনতা মহাবিদ্যালয়ত উদ্বোধন কৰে জিলা উপায়ুক্ত নৰসিং পৰাৰে। আজিৰ লগতে ১১ আৰু ১৩ মে'ত গুণোৎসৱ ২০২২ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত নৰসিং পৰাৰে গুণোৎসৱ ২০২২ৰ বাবে বহিঃমূল্যায়নকাৰী হিচাপে নিয়োজিত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। দেশ তথা সমাজৰ উৎকৰ্ষ সাধনৰ বাবে মানৱ সম্পদ গঢ়ি

তুলিবলৈ হ'লে শিক্ষা ব্যৱস্থাৰ উন্নয়ন নিতান্তই প্ৰয়োজনীয় বুলিও জিলা উপায়ুক্তই উল্লেখ কৰে। আনহাতে, জিলা শিক্ষা বিভাগৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্তই উপস্থিত বহিঃমূল্যায়নকাৰীসকলক গুণোৎসৱ ২০২২ সন্দৰ্ভত থকা নিয়মাৱলীসমূহ উল্লেখ কৰাৰ লগতে প্ৰশিক্ষণ কাৰ্যসূচীত নিয়োজিত মাষ্টাৰ ট্ৰেইনাৰসকলৰ পৰা গুণোৎসৱ ২০২২ৰ যাৱতীয় সকলো ১৩ পৃষ্ঠাত চাওক

স্বয়ম্ভূ সংগঠন নেতাক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ ডিমৌ হিলৈধাৰী গাঁৱৰ নিবাসী তথা স্বয়ম্ভু সংগঠনৰ নেতা ধ্ৰুৱজ্যোতি বৰুৱাক কালি ডিমৌ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। এইজন স্বয়ম্ভু তথা পাবত গজা সংগঠনৰ নেতা বৰুৱাই সামাজিক মাধ্যমত ডিমৌ ৰাজহ চক্ৰ বিষয়াগৰাকীৰ বিৰুদ্ধে বিভিন্ন অপমানসূচক মন্তব্য আগবঢ়াই আহিছিল। ডিমৌ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে তেওঁৰ বিৰুদ্ধে কালি ডিমৌ থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত ডিমৌ আৰক্ষীয়ে বৰুৱাক গ্ৰেপ্তাৰ কৰি শিৱসাগৰ ন্যায়িক দণ্ডাধীশৰ ওচৰত হাজিৰ কৰাই জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

ডিমৌৰ কলিয়াপানীত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত কলিয়াপানীত চাহ বাগিচাৰ কাষৰ এটা পুখুৰীত আজি এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। পুৱা ডিমৌ কলিয়াপানী চাহ বাগিচাৰ কাষৰ এটা পুখুৰীত এগৰাকী মহিলাৰ মৃতদেহ স্থানীয় ৰাইজে উপঙি ১৩ পৃষ্ঠাত চাওক

শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰত ৯০ সংখ্যক পালনাম মহোৎসৱ-বীৰনাম সমাৰোহৰ আয়োজন

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ৯ মে' ঃ ভৱানীপুৰৰ নিকটৱৰ্তী কলবাৰী গাঁৱৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰত অহা ১৫, ১৬ আৰু ১৭ মে'ত বণাঢ্য কাৰ্যক্ৰমণিকাৰে ৯০ সংখ্যক পালনাম মহোৎসৱ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাত ১৫ মে'ত স্বচ্ছতা অভিযানৰ জৰিয়তে শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰৰ চৌহদ আৰু কলবাৰী বালক প্ৰাইমাৰী বিদ্যালয়ৰ চৌহদত পৰিৱেশ নিকাকৰণ কৰা হয়। উক্ত কাৰ্যক্ৰমণিকা উদ্বোধন কৰিব শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত তালুকদাৰে। সন্ধিয়া সত্ৰ চৌহদত বন্তি প্ৰজ্বলন কাৰ্যক্ৰমণিকা উদ্বোধন কৰিব শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক হৰিচন্দ্ৰ দাসে। ১৬ মে'ত আয়তীৰ প্ৰসংগ ভকতবৃন্দৰ প্ৰসংগ হ'ব। সত্ৰৰ মজিয়াত পৰম্পৰা ধৰ্মীয় ৰীতিৰে ১২ ঘন্টীয়া অখণ্ড পালনাম স্থাপন কৰিব ঐতিহাসিক সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ তথা সত্ৰীয়া সংস্কৃতিৰ শিল্পী-সাধক নিৰ্মল অধিকাৰীয়ে। নিশা ১৩ পৃষ্ঠাত চাওক

জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ সভা

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া/ডুমডুমা, ৯ মে' ঃ জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা কালি তিনিচুকীয়া নগৰৰ থ্ৰি ষ্টাৰ হোটেল 'দ্য মিৰানা'ত অনুষ্ঠিত হয়। সভাপতি সীমান্ত চেতিয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মনোৰঞ্জন মৰাণে। সভাত আগন্তুক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰি তিনিচুকীয়া সদৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰাৰ বাবে মাইনু মৰাণ আৰু প্ৰেমানন্দ দাসক সম্পাদকৰূপে দায়িত্ব অৰ্পণ কৰা হয়। ইফালে, সভাই নতুনকৈ গোপাল গুপ্তাক বিত্ত সম্পাদকৰ দায়িত্ব প্ৰদান কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে বিস্তৃত কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰি কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ সদস্যসকলক 'দ্য মিৰানা'ৰ সঞ্চালক মেঘনা ক্ষেমানী আৰু মনিষ ক্ষেমানীয়ে উপহাৰ প্ৰদান কৰি আদৰণি জনায়। সভাত ৰাজ্যিক সমিতিৰ উপ-স

তিতাবৰত স্থাপন নহ'ল অভিযান্ত্ৰিক মহাবিদ্যালয়

ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্ম দিৱস উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা, বঙাইগাঁৱত সোমবাৰে।

তিতাবৰ, ৯ মে' ঃ তিতাবৰত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰাৰ কথা ঘোষণা কৰিছিল যদিও সেই সম্পৰ্কত আজিলৈকে চৰকাৰৰ তৰফৰ পৰা কোনো তৎপৰতা প্ৰদৰ্শন নকৰাৰ অভিযোগ উত্থাপিত হৈছে। অসম-নগালেণ্ড সীমান্তৰ দূৰণিবটীয়া অঞ্চলৰ লোকসকলৰ সুবিধা হোৱাকৈ বৰহোলাত এটা সুকীয়া উন্নয়ন খণ্ড কাৰ্যালয় স্থাপন কৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে দিছিল যদিও প্ৰতিশ্ৰুতিৰো বাস্তৱতা আজিলৈকে প্ৰতিফলন নহ'ল। ঐতিহাসিক ধোদৰআলি তিতাবৰৰ অংশত বৰ্তমানে জহি-খহি একেবাৰে তথৈবচ অৱস্থা। বছৰ বছৰ দিন ধৰি মেৰামতিৰ অভাৱত অসম-নগালেণ্ডৰ সদাব্যস্ত ধোদৰআলিৰ জৰাজীৰ্ণ অৱস্থাই বিকশিত অসমৰ বিপৰীত ছবি প্ৰকাশ কৰিছে। তিতাবৰ তিনিআলিৰ পৰা বৰহোলালৈকে ৩২ নম্বৰ অসম ৰাজ্যিক ঘাইপথেদি যাতায়াত কৰা ৰাইজে যমৰ যাতনা ভুগিবলগীয়া হৈছে। পথছোৱা মেৰামতিৰ নামত সাধাৰণ শিলগুটি এটা পেলাবলৈও গড়কাপ্তানি বিভাগটো এতিয়া অক্ষম। ধানখেতিৰ বাবে ৰাজ্যখনৰ ভিতৰতে সুনাম থকা তিতাবৰৰ কৃষকসকলে বছেৰেকত দুটা খেতি কৰিব পৰাকৈ কৃত্ৰিম ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থা কৰাৰ কথা নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল যদিও চৰকাৰ গঠনৰ পাছতো সকলো ফুটুকাৰ ফেন হ'ল। ক্ৰমবৰ্ধমান জনসংখ্যা আৰু বৰ্ধিত যান-বাহনৰ ফলত তিতাবৰ চাৰিআলিৰ ৰেলৱে ক্ৰছিং লেভেলত এখন উৰণীয়া সেতু নিৰ্মাণ কৰা তিতাবৰীয়া ৰাইজৰ দীৰ্ঘদিনীয়া দাবী যদিও আজিলৈকে কোনো এখন নিৰ্বাচিত চৰকাৰে স্পৰ্শকাতৰ বিষয়টোত গুৰুত্ব আৰোপ কৰা নাই। ফলত ঘণ্টাৰ পাছত ঘণ্টা ধৰি ৰেলৱে ক্ৰছিঙত যান-বাহনসমূহ আৱদ্ধ হৈ সমগ্ৰ তিতাবৰ নগৰখনতে তীব্ৰ আহুকলীয়া পৰিৱেশৰ সৃষ্টি কৰে যিটো নিয়ন্ত্ৰণ কৰিবলৈ প্ৰশাসনৰ সকলো ব্যৱস্থাই বিফল হয়। ধিমিক-ধামাক কৰি জ্বলি থকা তিতাবৰ পৌৰসভা অঞ্চলৰ ষ্টীটলাইটসমূহো তেনেকৈয়ে থাকিল। এতিয়া সন্ধিয়াৰ বেলি ডুব লোৱাৰ লগে লগে সমগ্ৰ তিতাবৰ চহৰখনো নিশাৰ আন্ধাৰত ডুব যায়। ফলত তিতাবৰ পৌৰসভাৰ অঞ্চলৰ বাণিজ্যিক প্ৰতিষ্ঠান আৰু পৰিয়ালৰ বাসগৃহত চোৰৰ উপদ্ৰৱে বিগত সময়ছোৱাত বিশেষ কৃতিত্বৰ দাবী কৰি কৰিছে। এনেস্থলত চৰকাৰী উদ্যোগত ঢাক-ঢোল বজোৱাতকৈ বাস্তৱ আৰু জ্বলন্ত সমস্যাৰসমূহ সমাধানহে চৰকাৰে মনোযোগ দিয়া উচিত বুলি সচেতন মহলে মন্তব্য কৰিছে।

অসমত কা বলবৎ হ'লে আন্দোলনৰ হুংকাৰ ঃ যুৱ মঞ্চ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৯ মে' ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগৰ এক জনসভাত অংশ লৈ নাগৰিকত্ব সংশোধনী আইন বলবৎ হ'ব বুলি যি মন্তব্য প্ৰকাশ কৰিছে সেই মন্তব্যক বিৰোধিতা কৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চই বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি যাদৱ গগৈয়ে এক বিবৃতিত অসম চুক্তি উলংঘা কৰি অসাংবিধানিক, সাম্প্ৰদায়িক খিলঞ্জীয়া বিৰোধী, অবৈধ হিন্দু বাংলাদেশীৰ ৰক্ষক 'কা' বলৱৎ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক কঠোৰভাৱে সকীয়াই দিছে। তেওঁ কয়, 'অসমৰ বাহিৰৰ যি ৰাজ্যতে নহওক এই আইন বলৱৎ কৰিলে আমাৰ ক'বলগীয়া নাই। অবৈধ বাংলাদেশী প্ৰব্ৰজনৰ পৰা অসমৰ খিলঞ্জীয়া জনগণৰ অস্তিত্ব সংকটৰ গৰাহত পৰিব। অসমৰ খিলঞ্জীয়া ৰাইজৰ ওপৰত চৰকাৰে নিজ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে বাংলাদেশীৰ বোজা জাপি দিয়াৰ অভিসন্ধি কেতিয়াও সফল কৰিবলৈ দিয়া নহ'ব'। মন্ত্ৰী পীযুষ হাজৰিকা, ৰঞ্জিত কুমাৰ দাস আৰু ভৱেশ কলিতাই 'কা' বলৱৎ কৰা ঘোষণাক আদৰণি জনোৱা কাৰ্যক বৃহত্তৰ অসমীয়া যুৱ মঞ্চই ধিক্কাৰ দিয়াৰ কথা উল্লেখ কৰি অসম চুক্তি ভৰিৰে মোহাৰি অসমৰ ওপৰত অবৈধ বিদেশীৰ বোজা জাপি দিয়া কামটো কোনো অসমীয়াই মানি নলয়। বৃহত্তৰ অসমীয়া যুৱ মঞ্চই অতি শীঘ্ৰে 'কা' আইন বাতিল কৰিবলৈ দাবী উত্থাপন কৰিছে।

চাপৰত জুৱাৰ ঘাটি উৎখাত ঃ পাঁচ জুৱাৰী গ্ৰেপ্তাৰ, জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

চাপৰ, ৯ মে' ঃ তীৰ, জুৱা, আই পি এল জুৱা আদিয়ে সৰ্বত্ৰ ছানি ধৰাৰ সময়তে কালি ধুবুৰী জিলাৰ চাপৰত আৰক্ষীয়ে এটা জুৱাৰ ঘাটি উৎখাত কৰাৰ লগতে জুৱাৰ স'তে জড়িত পাঁচজন জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ধুবুৰী আৰু বঙাইগাঁও জিলাৰ সীমান্তৱৰ্তী তথা চাপৰ থানাৰ অধীনৰ চৰ-ঘুনিমাৰী অঞ্চলত দীৰ্ঘদিনৰ পৰা ডাইছ জাতীয় জুৱা চলি থকাৰ খবৰ চাপৰ আৰক্ষীয়ে লাভ কৰি কালি বিয়লি উক্ত অঞ্চলত অভিযান চলাই ম'বাইল ফোনসহ জুৱাত ব্যৱহৃত সামগ্ৰী জব্দ কৰাৰ লগতে জুৱাৰ আড্ডা চলাই থকা পাঁচজন জুৱাৰী ক্ৰমে নুৰ জামাল হক (৩০), শ্বাহ জামাল (৩৪), মজিয়াল হক (৩৫), হাফিজুৰ হক (১৯) আৰু আব্দুল্লা শেখ(৪৪)ক হাতে-লোটে গ্ৰেপ্তাৰ কৰে। আজি আৰক্ষীয়ে উক্ত ঘটনা সন্দৰ্ভত বিৰুদ্ধে চাপৰ থানাত এটা গোচৰ ৰুজু কৰি ধৃত পাঁচজনকে বিলাসীপাৰাৰ আদালতৰ জৰিয়তে ধুবুৰী জেললৈ প্ৰেৰণ কৰে।

বুল্লালপাৰ চতুৰ্ভুজ নামঘৰ উদ্বোধন বিধায়কৰ

অগ্ৰদূত বাৰ্তা

আজাৰা, ৯ মে' ঃ আজাৰা ৰাজহ চক্ৰৰ কাঁহিকুছি গাঁও পঞ্চায়তৰ বুল্লালপাৰ চতুৰ্ভুজ নামঘৰৰ পুনৰনিৰ্মিত ভৱনটো আজি উদ্বোধন কৰে পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। পুনৰ নিৰ্মিত নামঘৰটো উদ্বোধন কৰি বিধায়ক কলিতাই ৰাজ্যৰ মিত্ৰজোটৰ চৰকাৰে জনসাধাৰণৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধন কৰি আহিছে বুলি কৈ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ গ্ৰামাঞ্চলৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত জনসাধাৰণক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ভিডিলেন্স এণ্ড মণিটৰিং কমিটীৰ সদস্য সুভাষ শৰ্মা, বুল্লালপাৰ চতুৰ্ভুজ নামঘৰৰ সভাপতি বিনোদ কলিতা, সম্পাদক প্ৰদীপ ঠাকুৰীয়া, ভি আই পি আঞ্চলিক বিকাশ সমিতিৰ সভাপতি অনিল মালী প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত আয়োগৰ অধীনত ২০১৬-১৭ৰ ছয় লাখ টকা ব্যয়েৰে উক্ত নামঘৰটো পুনৰনিৰ্মাণ কৰা হয়।

নগাঁৱৰ মৰ্গত অচিনাক্ত লোকৰ মৃতদেহ

বিশেষ সংবাদদাতা

নগাঁও, ৯ মে' ঃ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ মৰ্গত আজি চাৰিদিন ধৰি এজন অচিনাক্ত লোকৰ মৃতদেহ পৰি আছে। চিকিৎসালয়ৰ আৰক্ষী চকীৰ আৰক্ষীয়ে জনোৱা মতে, ছয় মে'ৰ পৰা নিশা অচিনাক্ত ৩৫ বছৰীয়া লোকজনক চিকিৎসালয়খনৰ জৰুৰী কক্ষৰ সন্মুখত কোনোবাই পেলাই থৈ যায়। লোকজন পৰি থকা দেখি চিকিৎসকে চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰে যদিও পাছত মৃত বুলি ঘোষণা কৰে। চিকিৎসালয়খনৰ আৰক্ষীয়ে মৃতদেহটো চিকিৎসালয়ৰ মৰ্গত ৰাখিছে। বাতৰি লিখা সময়লৈ লোকজনৰ পৰিচয় লাভ কৰিব পৰা নাই।

প্ৰমাণপত্ৰ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্ত জাতি-আইন বিৰোধী আখ্যা

অগ্ৰদূত বাৰ্তা

দোতমা, ৯ মে' ঃ অসম চৰকাৰৰ যোৱা সাত মে'ৰ কেবিনেটে জাতিৰ প্ৰমাণপত্ৰ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্ত জাতি বিৰোধী আৰু আইন বিৰোধী বুলি আখ্যা দিছে অসম অনুসূচিত জাতি পৰিষদৰ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি দিলীপ কুমাৰ সৰকাৰে। তেওঁ কয় যে এই ব্যৱস্থাই ১৯৭৮ৰ অনুসূচিত জাতি-জনজাতি সংৰক্ষণ আইনক উপেক্ষা কৰাৰ লগতে জনগোষ্ঠীয় পৰিকাঠামো দাঙি দিয়াৰ গভীৰ চুড়ান্ত কৰা হৈছে। জাতিৰ প্ৰমাণপত্ৰ সৰল পদ্ধতিত উপলব্ধ হোৱাটো সকলোৰে কাম্য, কিন্তু সেই বুলিয়ে অনা অনুসূচিত জাতি লোকে পাব পৰাকৈ সৰল কৰিলে নহ'ব। দেউতাকৰ প্ৰমাণপত্ৰ চাই উপায়ুক্তসকলে পোনপটীয়াকৈ জাতিৰ প্ৰমাণপত্ৰ দিলে বিগত সময়ত অবৈধভাৱে জাতিৰ প্ৰমাণপত্ৰ লোৱা লোকসকলৰ সন্তানসকলে অনায়াসে জাতিৰ প্ৰমাণপত্ৰ লাভ কৰিব। যিটো জাতিৰ বাবে অতি ভয়াৱহ বিষয় বুলি তেওঁ কয়। সৰকাৰে কয়, উপায়ুক্তসকলে দেউতাকৰ প্ৰমাণপত্ৰ চাই দিছে বা নোচোৱাকৈ দিছে সেই তথ্য কোনে দেখিব বা জানিব? তেওঁলোকৰ ইচ্ছা অনুসৰি কাৰোবাক দিব আৰু কাৰোবাক নিদিব। এই কথা অনুসূচিত জাতিৰ ৰাইজে গ্ৰহণ নকৰে। জাতিৰ প্ৰমাণপত্ৰ শিক্ষাৰ বা অৰ্হতাৰ প্ৰমাণপত্ৰৰ দৰে নহয়; এই প্ৰমাণপত্ৰ জাতিগত লিগেছি হয়। অনন্ত কাললৈ এই প্ৰমাণপত্ৰৰ মূল্য থাকিব। সেয়ে চৰকাৰক কঠোৰভাৱে সকীয়াই দিয়া হৈছে যে অনুসূচিত জাতি পৰিষদৰ জিলা সমিতিৰ চিনাক্তকৰণৰ পাছতহে পূৰ্বৰ পৰা ছবছৰ বয়সৰ পৰাই জাতিৰ লোকসকলক জাতিগত প্ৰমাণপত্ৰ কম সময়তে দি আহিছে। সম্প্ৰতি অনলাইন ব্যৱস্থা কৰি গোটেই ব্যৱস্থাটো লেহেমীয়া কৰা হৈছে, কাৰণ অসমৰ অনলাইন ব্যৱস্থাত ছাৰ্ভাৰ প্ৰায়ে বিকল হৈ থাকে। জাতিৰ প্ৰমাণপত্ৰ পোৱাত ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক নিয়ম আৰু অন্যান্যসকললৈ বেলেগ নিয়ম কিয় থাকিব লাগে? গতিকে এনে ধৰণৰ স্পৰ্শকাতৰ বিষয়সমূহৰ ক্ষেত্ৰত সিদ্ধান্ত লওঁতে সংশ্লিষ্ট সংগঠনসমূহক আস্থাত লৈ পদক্ষেপ ল'বলৈ চৰকাৰক আহ্বান জনাইছে অসম অনুসূচিত জাতি পৰিষদ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি কুমাৰ সৰকাৰ আৰু সম্পাদক কাৰ্তিক চন্দ্ৰ সৰকাৰে।

সৰৱ অসম অনুসূচিত জাতি পৰিষদৰ

শিলঘাটৰ চামধৰাত ৰঙালী বিহু উদ্‌যাপন

বিশেষ সংবাদদাতা

নগাঁও, ৯ মে' ঃ নগাঁও জিলাৰ শিলঘাটৰ চামধৰা অৰিন্দম পুখিভঁৰালৰ উদ্যোগত যোৱা নিশা ৰঙালী বিহু উদ্‌যাপন উপলক্ষে অনুষ্ঠিত হয় সাংস্কৃতিক কাৰ্যসূচী। শিল্পী জীৱনৰ নিৰাগৰ সংগীতৰ অনুষ্ঠানে দৰ্শকক মোহাছন্ন কৰি তোলে। অনুষ্ঠানত কলিয়াবৰৰ 'মন বহাগী বিহুৱা দলে' বিহু নৃত্য প্ৰদৰ্শন কৰাৰ লগতে গাঁওখনৰ জীয়ৰী-বোৱাৰীসকলে দিহানাম প্ৰদৰ্শন কৰে। ইয়াৰ আগতে পুৱা বিহু পাতাকা উত্তোলনৰে ৰঙালী বিহু উৎসৱৰ আৰম্ভ কৰে গাঁওখনৰ জ্যেষ্ঠ নাগৰিক ভোলা শইকীয়াই। বৃক্ষৰোপণ কৰে যোগেন শইকীয়াই। ইয়াৰ পাছতে অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে কুঞ্জলতা মহন্ত হাজৰিকা আৰু চিকুণী শইকীয়াই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে হেমকান্ত হাজৰিকাই। মঞ্চ মুকলি কৰে শিক্ষাবিদ সলিল মিত্ৰই। ইয়াৰ পাছতে দলি দলি প্ৰতিযোগিতা অনুষ্ঠিত হয়। স্থানীয় ৰাইজৰ সহযোগত এই বিহু উৎসৱ সম্পন্ন হয়।

কোকৰাঝাৰৰ ছেৰফাংগুৰিত বিষুৱা উদ্‌যাপন

অগ্ৰদূতবাৰ্তা

চিথিলা, ৯ মে' ঃ কোচ-ৰাজবংশী জনগোষ্ঠীৰ হেঁপাহৰ পৰম্পৰাগত অনুষ্ঠান বিষুৱা। কোকৰাঝাৰৰ ছেৰফাংগুৰি-ৰামফলবিল বিষুৱা সমিতিৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰৰ ছেৰফাংগুৰিত বিষুৱা অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানৰ সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে বি টি চিৰ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ সঞ্চালক বিল্লমংগল ৰায়। অসম, পশ্চিম বংগ আদি কৰি বিভিন্ন ঠাইৰ কোচ-ৰাজবংশী সাংস্কৃতিক দলে অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত উপস্থিত থাকে আভ্যৰ্থনা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে সেনাপতি ৰায় আৰু হিৰণ্য মোহন ৰায়, কে এ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, কে এ চিৰ ই এম ক্ৰমে কৰ্মেশ্বৰ ৰায় আৰু পূৰৱী সৰকাৰ, দোতমা সমষ্টিৰ পাৰিষদ প্ৰকাশ বসুমতাৰী, আক্ৰাছুৰ উপদেষ্টা বিষুজ্যোতি ৰায়ৰ লগতে আক্ৰাছুৰ জিলা আঞ্চলিক পৰ্যায়ৰ নেতা-কৰ্মী আৰু সেৰফানগুৰীবাসী ৰাইজো উপস্থিত থাকে। ইপিনে, জিলাখনৰ শক্তি আশ্ৰমতো দুদিনীয়া কাৰ্যসূচীত বিষুৱা উৎসৱ অনুষ্ঠানৰ ৰঙা ফিটা কাটি শুভ উদ্বোধন কৰে কেএচিৰ ই এম কৰ্মেশ্বৰ ৰায়ে। নামনি অসমৰ কোচ-ৰাজবংশী বসতি প্ৰধান অঞ্চলসমূহত বিষুৱাৰ প্ৰচলন বেছিকৈ হোৱা দেখিবলৈ পোৱা যায়।

যোৰহাট জিলা ঠেঙাল কছাৰী সংগঠনৰ অধিবেশন সম্পন্ন

মহিলা সংগঠন-ছাত্ৰ সংগঠনৰো নতুন কাৰ্যনিৰ্বাহক গঠন

অগ্ৰদূত বাৰ্তা

তিতাবৰ, ৯ মে' ঃ সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ যোৰহাট জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনৰ যোৱা আঠ মে'ত অনুষ্ঠিত হয়। জিলাখনৰ মূল সংগঠনৰ অধিবেশন লগত সংগতি ৰাখি যোৰহাট জিলা ঠেঙাল মহিলা সংগঠন আৰু যোৰহাট জিলা ঠেঙাল কছাৰী সংগঠনৰ অধিবেশনো যৌথভাৱে অনুষ্ঠিত কৰে। তিতাবৰৰ তামোলবাৰী আৰু বুঢ়াগাঁও প্ৰাথমিক শাখাৰ আমন্ত্ৰণক্ৰমে বুঢ়াগাঁও ৰাজহুৱা ৰংগমঞ্চত এদিনীয়া কাৰ্যসূচীৰে আয়োজিত কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত তিনওটা সংগঠনৰে নিজৰ নিজৰ পতাকা উত্তোলনৰ পাছত পৃথকে পৃথকে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাতে তিনিওটা সংগঠনৰে আগন্তুক দুটা বৰ্ষৰ কাৰ্যকালৰ বাবে তিনিখন নতুন পূৰ্ণাংগ সমিতি গঠন কৰে। সেই অনুসৰি যোৰহাট জিলা ঠেঙাল কছাৰী সংগঠনৰ বাবে ডাঃ প্ৰদীপ শইকীয়াক সভাপতি আৰু বিশ্বজিৎ শইকীয়াক সম্পাদকৰূপে মনোনীত কৰে। অনিমা নেওগ আৰু কবিতা হাজৰিকাক যথাক্ৰমে সভানেত্ৰী আৰু সম্পাদিকাৰূপে মহিলা সংগঠনৰ আগত কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰে। ইয়াৰ উপৰি ঠেঙাল কছাৰী ছাত্ৰ সংগঠনৰ যোৰহাট জিলা সমিতিৰ বাবে শান্তনু শইকীয়া আৰু নিবিৰণ কছাৰীকে একে পদত বাহাল ৰাখি পৰৱৰ্তী কাৰ্যকাল চলাই যাবৰ বাবে প্ৰতিনিধি সভাই অনুমোদন দিয়ে। ইয়াৰ পাছত ঠেঙাল কছাৰী সংগঠনৰ যোৰহাট জিলা সমিতিৰ সভাপতি ডাঃ প্ৰদীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শৈলেন্দ্ৰনাথ বড়াই। নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য প্ৰদান কৰে ড° যোগেশ্বৰ বড়াই। ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰীয়ে মুখ্য অতিথিৰূপে উপস্থিত থাকি নৱনিৰ্বাচিত সমিতিসমূহক শুভেচ্ছা জ্ঞাপন কৰে।

মেৰাপানী বিদ্যালয়ত চিআৰপিএফৰ যোগ শিবিৰ

অগ্ৰদূত বাৰ্তা

মেৰাপানী, ৯ মে' ঃ 'অহা ২১ জুনত আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে মেৰাপানীস্থ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ ১৪২ নম্বৰ বেটেলিয়নে প্ৰস্তুতি আৰম্ভ কৰিছে। আজি বেটেলিয়নৰ জোৱানসকলে মেৰাপানীৰ চাউদাং পথাৰ নীলিমা বৰা প্ৰাথমিক বিদ্যালয়ত এক যোগ প্ৰশিক্ষণ তথা যোগ সজাগতা সভা অনুষ্ঠিত কৰে। ১৪২ নম্বৰ চিআৰপিএফ বেটেলিয়নৰ জ্যেষ্ঠ বিষয়া সুৰেশ কুমাৰৰ নেতৃত্বত বাহিনীটোৰ একাংশ জোৱানে বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলক যোগ সাধনাৰ প্ৰাথমিক প্ৰশিক্ষণ দিয়াৰ লগতে যোগবিদ্যা সম্পৰ্কে আভাস দিয়ে। অনুষ্ঠানটোত নীলিমা বৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লাকু শইকীয়া আৰু সহকাৰী শিক্ষক পম্পী মণি দাসেও সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে মেৰাপানীস্থ চিআৰপিএফৰ ১৪২ নম্বৰ বেটেলিয়নে আন্তৰ্জাতিক যোগ দিৱস পৰ্যন্ত স্থানীয় আন কে'বাকনো বিদ্যালয়ত যোগ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ বিজ্ঞান মেল সম্পন্ন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ৯ মে' ঃ সদৌ অসম মইনা পাৰিজাতৰ উদ্যোগত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত টিংখাং আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ বিজ্ঞান মেলা ডিব্ৰুগড় টিংখাং বালিকা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। বিজ্ঞান মেলখন উদ্বোধন কৰে জিলা মইনা পাৰিজাতৰ সভাপতি বিযেশ্বৰ গগৈয়ে। অনুষ্ঠনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সদৌ অসম প্ৰাথমিক বিদ্যালয় শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য অজিত খনিকৰ, টিংখাং বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মুনমী কোঁৱৰ, টিংখাং জাতীয় বিদ্যালয়ৰ অধ্যক্ষ নৱকান্ত ৰৰুৱা, সমাজ সেৱক যোগেশ বিকাশ চুতীয়া প্ৰমুখ্যে আন কে'বাজনো স্থানীয় বিশিষ্ট লোক উপস্থিত থাকে। সমল ব্যক্তি হিচাপে ৰাজগড় ৰাঙলী উচ্চ মাধ্যমিক বিজ্ঞান শিক্ষক জ্যোতি প্ৰসাদ গগৈ। বিজ্ঞান মেলত প্ৰকল্প প্ৰদৰ্শন কৰি প্ৰথম স্থান লাভ কৰে উষাপুৰ ৰূপকোঁৱৰ মইনা পাৰিজাতৰ কংকন বড়া কপিল শইকীয়াই। দ্বিতীয় স্থান লাভ কৰে ডিব্ৰুগড়ৰ মিলিজুলি মইনা পাৰিজাতৰ হৰ্ষিতা চক্ৰৱৰ্তীয়ে, তৃতীয় স্থান লাভ কৰে টিংখাং শাখা মইনা পাৰিজাতৰ স্নেহা চাংমাই আৰু মৰমী দত্তই। অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰীসকলক যোগদান পত্ৰ প্ৰদান কৰাৰ উপৰি স্থানপ্ৰাপ্তসকলকো মানপত্ৰ প্ৰদান কৰে। অনুষ্ঠানৰ পৰিচালনা কৰে সদৌ অসম মইনা পাৰিজাতৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক হৰেণ ডেকাই। আৰম্ভণিতে টিংখাং মইনা পাৰিজাতৰ মইনাসকলে 'আমি পোহৰ বিচাৰ যাওঁ মইনা পাৰিজাতৰ গীতটো পৰিৱেশন কৰে।

সৃষ্টিশীল কৰ্মইহে পৃথিৱীৰ পৰা হিংসাৰ

১২ পৃষ্ঠাৰ পৰা যুদ্ধৰ দাবানল কাব্য চৰ্চা, সাহিত্য চৰ্চাৰ দৰে সৃষ্টিশীল কৰ্মইও বিনাশ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলিও তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা কবি জ্ঞানলতা বৰাৰ স্বামী জীৱন বৰাই আঁতধৰা সভাত কবি-সাহিত্যিক তথা সুচিকিৎসক হৰেণ শইকীয়াই যিখন সমাজত সাহিত্যৰ আদৰ নাই সেইখন সমাজৰ কোনো ৰস নাই বুলি উল্লেখ কৰি চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ সাহিত্য জগতখনৰ পৰা বহু শিকিবলগীয়া আছে বুলি মন্তব্য কৰে।

ডিমৌৰ কলিয়াপানীত মহিলাৰ মৃতদেহ

১২ পৃষ্ঠাৰ পৰা থকা প্ৰত্যক্ষ কৰে। ঘটনাৰ সন্দৰ্ভত ডিমৌ আৰক্ষীক অৱগত কৰাত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি কলিয়াপানীৰ চমৰা চাওৰাৰ পত্নী তথা চাৰি কন্যা সন্তানৰ মাতৃ দলী চাওৰা বুলি চিনাক্ত কৰে। অৱশ্যে কি পৰিস্থিতিত পুখুৰীত দলী মৃতদেহ উদ্ধাৰ হ'ল সেয়া স্পষ্ট হোৱা নাই একাংশ লোকে কিছুদিনৰ পৰা মানসিক ৰোগত আক্ৰান্ত হৈ আছিল বুলি মন্তব্য কৰে।

মানৱ সম্পদ গঢ়িবলৈ শিক্ষাৰ উন্নতি

১২ পৃষ্ঠাৰ পৰা তথ্য আহৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ আঁত ধৰে জিলা মাধ্যমিক শিক্ষা বিষয়া বিন্তী শৰ্মাই। স্মৰ্তব্য যে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ ২০২২ত তিনিচুকীয়া জিলাত নিম্ন প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয়সমূহ সাঙুৰি সৰ্বমুঠ ১৩৯৮ খন বিদ্যালয়ৰ মূল্যাংকন কৰা হ'ব। ইয়াৰে ২৪ মে'ত ৪৭৩ খন, ২৫ মে'ত ৪৬৯ খন আৰু ২৬ মে'ত ৪৫৬ খন বিদ্যালয়ৰ মূল্যাংকন কৰা হ'ব। ২৩ মে'ত বিদ্যালয়সমূহত স্ব-মূল্যায়ন কৰা হ'ব।

শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা সত্ৰত ৯০

১২ পৃষ্ঠাৰ পৰা পালনামৰ সামৰণিৰ পাছতে অনুষ্ঠিত হ'বলগীয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট 'বীৰনাম' সমাৰোহ উদ্বোধন কৰিব নিৰ্মল অধিকাৰীয়ে। ১৭ মে'ৰ দিনৰ তিনি বজালৈ অনুষ্ঠিত হ'বলগীয়া বীৰনাম সমাৰোহত সৰভোগৰ নুনতোলা গোলাপাৰা কৃষ্টি সংঘ বীৰনাম দল, ভৱানীপুৰৰৰ মাহতলীহাটীৰ গোপাল আতা থিয়নাম দল, বামুণৰড়ী ফুলোৰগুৰি বীৰনাম দল, হাউলী গাঁও বোৱাৰী নাম দল, কলবাৰী বীৰনাম সাংস্কৃতিক সংঘ, কলবাৰী বীৰনাম সত্ৰীয়া কলা কেন্দ্ৰ, কলবাৰী বীৰনাম এন জি অ' আৰু কলবাৰী শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ আতা মহিলা থিয়নাম দলে শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট অনুপম সংস্কৃতি 'বীৰনাম' পৰিৱেশন কৰিব।

অসমীয়া কৃষ্টি-সংস্কৃতি-ঐতিহ্য

১২ পৃষ্ঠাৰ পৰা পতাকা উত্তোলেনেৰে দিনজোৰা কাৰ্যসূচীৰ পাতনি মেলে। স্মৃতি তৰ্পণ কৰে চিনাতলী শাখা সাহিত্য সভাৰ সভাপতি মৃদুল বৰাই। ইয়াৰ পাছতেই অনুষ্ঠিত হয় গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি-সম্পাদকসকলৰ বিশেষ সম্বৰ্ধনা অনুষ্